# Types of Communication ( যোগাযোগৰ প্ৰকাৰ)

**(১) অংশগ্ৰহণকাৰী ভিত্তিক যোগাযোগ (Communication based on participants) ঃ**

যোগাযোগ প্ৰক্ৰিয়া বিভাজন কৰা এটা ব্যৱস্থা হ'ল ইয়াত জড়িত হৈ থকা ব্যক্তিৰ সংখ্যা। অৰ্থাৎ কিমান সংখ্যক ব্যক্তি যোগাযোগ প্ৰক্ৰিয়াটোত জড়িত হৈ আছে তাৰ ওপৰতো যোগাযোগৰ প্ৰকাৰ নিৰ্ভৰ কৰে। এনেদৰে অংশগ্ৰহণকাৰী ব্যক্তিৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি যোগাযোগক পুনৰ চাৰিটা ভাগত ভগোৱা হয়। এই ভাগবোৰ হৈছে—

(ক) **আন্তঃব্যক্তিক যোগাযোগ** (Inter personal Communication) ঃ যেতিয়া যোগাযোগ দুজন ব্যক্তিৰ মাজত সম্পন্ন হয় তেতিয়া তেনে যোগাযোগক আন্তঃব্যক্তিক যোগাযোগ (Interpersonal Communication) বোলা হয়। দুজন ব্যক্তিৰ মাজত বাৰ্তা বিনিময়, আৱেগ, অনুভূতি, চিন্তা আদিৰ আদান-প্ৰদান হোৱা এনে যোগাযোগেই আন্তঃব্যক্তিক যোগাযোগ। এনে যোগাযোগত দুয়ো পক্ষৰ মাজত আন্তৰিক আলাপ-আলোচনা আদি হয়। দুজন বন্ধুৰ মাজত হোৱা কথোপকথন, টেলিফোনিক বাৰ্তালাপ, শিক্ষক-ছাত্ৰৰ মাজত হোৱা যোগাযোগ আদিৰ এনে যোগাযোগৰ উদাহৰণ।

(খ) **অন্তঃব্যক্তিক যোগাযোগ** (Intra-personal Communication) ঃ যেতিয়া যোগাযোগ এজন ব্যক্তিৰ মাজতে সংঘটিত হয়, তেতিয়া তেনে যোগাযোগক অন্তঃব্যক্তিক যোগাযোগ বুলি কোৱা হয়। এনে যোগাযোগত প্ৰেৰক আৰু গ্ৰাহক একেজন ব্যক্তিয়ে হয়। অৰ্থাৎ ব্যক্তিজনে নিজ সত্ত্বাৰ লগতে আভ্যন্তৰীণ যোগাযোগ ৰক্ষা কৰে। চিন্তা কৰা, সমস্যা সমাধান কৰা, ডায়েৰী লিখা আদিবোৰ অন্তঃব্যক্তিক যোগাযোগৰ উদাহৰণ।

(গ) **দলীয় যোগাযোগ** (Group Communication) ঃ যেতিয়া যোগাযোগ প্ৰক্ৰিয়াত কেবাজনো ব্যক্তি জড়িত হৈ থাকে বা এই যোগাযোগ এটা দলৰ সদস্যসকলৰ মাজত সংঘটিত হয়, তেতিয়া তেনে

যোগাযোগক দলীয় যোগাযোগ (Group Communication) বুলি কোৱা হয়। এনেক্ষেত্রত দলীয় সদস্যসকলৰ মাজত পাৰস্পৰিকভাৱে যোগাযোগ সম্পন্ন হয়। বহুক্ষেত্রত দলীয় সিদ্ধান্ত ল'বৰ বাবে এনেদৰে দলীয় সদস্যৰ মাজত ভাব বিনিময়ৰ প্ৰয়োজন হয়, তেনেধৰণৰ যোগাযোগেই হ'ল দলীয় যোগাযোগ। আলোচনাচক্র, কৰ্মশালা, শ্ৰেণীকোঠাৰ যোগাযোগ, বক্তৃতা আদি এনে যোগাযোগৰ উদাহৰণ।

**(ঘ) গণ-যোগাযোগ (Mass-Communication) ঃ** গণ শব্দৰ অৰ্থ হ'ল জনগণ বা জনসাধাৰণ। যেতিয়া জনসাধাৰণৰ মাজত বা বহু মানুহৰ মাজত যোগাযোগ স্থাপন হয়, তেনে যোগাযোগকে গণ যোগাযোগ বুলি কোৱা হয়। এনে যোগাযোগত প্ৰেৰকে সক্ৰিয় ভূমিকা পালন কৰাৰ বিপৰীতে গ্ৰাহকে নিষ্ক্ৰিয় ভূমিকা পালন কৰে। কোনো বিষয়ৰ প্ৰচাৰ, অভিৰোচন আদিৰ বাবে এনে যোগাযোগ স্থাপন হয়। এনে যোগাযোগত গণ মাধ্যমসমূহে মূলত ভূমিকা পালন কৰে। ৰেডিঅ', দূৰদৰ্শন, বাতৰি কাকত, ৰাজহুৱা সভা আদি গণ যোগাযোগৰ উদাহৰণ।

**২। সাংগঠনিক ভিত্তিক যোগাযোগ (Communication based on structure) ঃ**

যোগাযোগৰ অন্য এক শ্ৰেণী বিভাজন হৈছে সাংগঠনিক ভিত্তিত কৰা যোগাযোগ। অৰ্থাৎ যোগাযোগ কেনেদৰে চলোৱা হৈছে বা কেনেদৰে সংগঠন কৰা হৈছে তাৰ ওপৰত এই শ্ৰেণী বিভাগ কৰা হৈছে। এই দৃষ্টিকোণেৰে যোগাযোগক ২ ভাগত ভগোৱা হৈছে। সেইবোৰ হৈছে—

**(ক) আনুষ্ঠানিক যোগাযোগ (Formal Communication) ঃ** যেতিয়া নিৰ্দিষ্ট নীতি নিয়ম মানি যোগাযোগ সংঘটিত হয়, তেনে যোগাযোগক আনুষ্ঠানিক যোগাযোগ (Formal Commuication) বোলে। কোনো প্ৰতিষ্ঠানৰ কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰি দিয়া নিয়ম অনুসাৰে যেতিয়া তথ্যৰ আদান-প্ৰদান হয় আৰু যোগাযোগ সম্পূৰ্ণ হৈ উঠে, তেনে যোগাযোগেই আনুষ্ঠানিক যোগাযোগ। শ্ৰেণীকোঠাৰ শিক্ষণ-শিকন আনুষ্ঠানিক যোগাযোগৰ উদাহৰণ।

**(খ) অনানুষ্ঠানিক যোগাযোগ (Informal Communication) ঃ** কেতিয়াবা কেতিয়াবা কোনো যোগাযোগ কোনোধৰণৰ নীতি নিয়মৰ আধাৰত গঢ়ি নুঠে, বৰঞ্চ স্বতঃস্ফূৰ্তভাৱে গঢ়ি উঠা যোগাযোগকে অনানুষ্ঠানিক যোগাযোগ (Informal Communication) বুলি কোৱা হয়। ইয়াত তথ্য, বাৰ্তা, ভাব-অনুভূতি আদি আদান-প্ৰদানৰ বাবে কোনো আনুষ্ঠানিক নিৰ্দেশনাৰ প্ৰয়োজন নাথাকে। পৰিয়ালৰ সদস্যসকলৰ মাজত হোৱা যোগাযোগ নিঃসন্দেহে অনানুষ্ঠানিক যোগাযোগৰ উদাহৰণ।

**(৩) ভাষা ভিত্তিক যোগাযোগ (Communication based on language used) ঃ**

যোগাযোগক শ্ৰেণী বিভাজন কৰা অন্য এক ভিত্তি হ'ল ব্যৱহাৰ কৰা ভাষা। অৰ্থাৎ যোগাযোগত প্ৰয়োগ কৰা ভাষাৰ ওপৰত ভিত্তি কৰিও ইয়াক শ্ৰেণী বিভাজন কৰা হৈছে। ভাষাৰ ওপৰত নিৰ্ভৰ কৰি ভাগ কৰা যোগাযোগৰ প্ৰকাৰ সাধাৰণতে দুবিধ—

(ক) ভাষিক যোগাযোগ (Verbal Communication)

(খ) অভাষিক যোগাযোগ (Non-Verbal Communication)

তলত এই সম্পৰ্কে আলোচনা কৰা হৈছে—

**(ক) ভাষিক যোগাযোগ (Verbal Communication) ঃ**

ভাষা হ'ল ভাৱ-অনুভূতি প্ৰকাশৰ মাধ্যম আৰু যোগাযোগৰ অন্যতম প্ৰধান বাহক। ইয়াৰ দ্বাৰা খুব সহজতেই যোগাযোগ স্থাপন কৰা সম্ভৱ। প্ৰেৰকে প্ৰেৰণ কৰা বাৰ্তাৰ ভাষা গ্ৰাহকে বুজি পাই গ্ৰহণ কৰিলেই

যোগাযোগ সফলভাৱে স্থাপন হয়। অৰ্থাৎ ভাষাৰ যিকোনো ৰূপ প্ৰয়োগ কৰিলেই এনে যোগাযোগ স্থাপন কৰিব পাৰি। ভাষিক যোগাযোগক আকৌ দুই ধৰণে ভাগ কৰিব পাৰি। সেইবোৰ হৈছে—

(i) **মৌখিক যোগাযোগ (Oral Communication) ঃ** ভাষিক যোগাযোগৰ এক প্ৰধান প্ৰকাৰ হ'ল মৌখিক যোগাযোগ। যেতিয়া যোগাযোগ মুখেৰে কোৱা কথা বা ভাষাৰ দ্বাৰা সম্পন্ন হয় অৰ্থাৎ মৌখিক কথা বতৰাৰ আধাৰতেই প্ৰেৰক আৰু গ্ৰাহকৰ মাজত যোগসূত্ৰ স্থাপন হয় তাকে মৌখিক যোগাযোগ (Oral Communication) বোলে। এনে যোগাযোগত বক্তাজনে প্ৰেৰকৰ আৰু শ্ৰোতাজনে গ্ৰাহকৰ ভূমিকা পালন কৰে। টেলিফোনিক বাৰ্তালাপ, টেলিকনফাৰেন্সিং আদি মৌখিক যোগাযোগৰ উদাহৰণ।

(ii) **লিখিত যোগাযোগ (Written Communication) ঃ** যিবোৰ যোগাযোগত ভাষাৰ লিখিত ৰূপ ব্যৱহাৰ কৰি প্ৰেৰক গ্ৰাহকৰ মাজত যোগসূত্ৰ স্থাপন কৰি তোলা হয়, তাকে লিখিত যোগাযোগ বোলে। মৌখিক যোগাযোগতকৈ লিখিত যোগাযোগ যথেষ্ট লেহেমীয়া আৰু ইয়াত গ্ৰাহকৰ প্ৰতিক্ৰিয়া তাৎক্ষণিকভাৱে জানিব পৰা নাযায়। লিখিত যোগাযোগত ভাষা জ্ঞান আৰু লিখিত ৰূপত ভাৱ প্ৰকাশৰ দক্ষতাই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। এনে যোগাযোগত প্ৰেৰক আৰু গ্ৰাহক একে সময়তে উপস্থিত নাথাকিলেও হয়। অৱশ্যে লিখিব পঢ়িব নজনা ব্যক্তিৰ বাবে এনে যোগাযোগ কাৰ্যকৰী নহয়। চিঠি-পত্ৰ, প্ৰতিবেদন, ৰচনা আদি এনে যোগাযোগৰ উদাহৰণ।

**(খ) অভাষিক যোগাযোগ (Non-verbal Communication) ঃ**

ভাষা ভিত্তিক যোগাযোগৰ অন্য এক প্ৰকাৰ হ'ল অভাষিক যোগাযোগ। যিবোৰ যোগাযোগত ভাষাৰ লিখিত বা কথিত ৰূপ কোনোটোৱেই ব্যৱহাৰ নহয়, বৰঞ্চ অন্যধৰণে যোগাযোগ সংঘটিত হয়, তেনে যোগাযোগক অভাষিক যোগাযোগ (Non-verbal Communication) বোলে। অৰ্থাৎ ভাষা অবিহনেও এনে যোগাযোগ সম্ভৱ হ'ব পাৰে। এনে যোগাযোগক আকৌ চাৰি ভাগত ভগাব পাৰি। সেইবোৰ হৈছে—

(i) **মুখৰ প্ৰকাশভঙ্গি (Facial Expression) ঃ** মানুহৰ মুখৰ প্ৰকাশভঙ্গিয়েও বহুতো কথা প্ৰকাশ কৰে। কোনো ভাষা ব্যৱহাৰ নকৰাকৈয়ে কেতিয়াবা কেতিয়াবা কেৱল মুখৰ প্ৰকাশভঙ্গিতে অনেক কথা প্ৰকাশ কৰা যায় যিবোৰ আনে বুজি পাব পাৰে বা বুজি পায়, এনেবোৰ যোগাযোগকে মুখৰ প্ৰকাশভঙ্গি (Facial Expression) যোগাযোগ বুলি কোৱা হয়। মানুহৰ সুখ-দুখ, আনন্দ, দুখ, চিন্তা, কৌতূহল আদি মুখৰ প্ৰকাশভঙ্গিতে প্ৰকাশ পাব পাৰে।

(ii) **চকুৰ ভাষা (Eye language) ঃ** অশাব্দিক যোগাযোগৰ অন্য এক প্ৰকাৰ হ'ল চকুৰ ভাষা। মুখৰ প্ৰকাশভঙ্গিত যেনেকৈ যোগাযোগ স্থাপন হয়, একেদৰে চকুৰ ভাষাৰ যোগেদিও যোগাযোগ স্থাপন হ'ব পাৰে। মুখৰ ভাষাতকৈ চকুৰ ভাষা বা চাৱনিত অধিক নিৰ্ভৰযোগ্য বাৰ্তা প্ৰেৰণ হ'ব পাৰে। চকুৰ ভাষা বুজিবলৈ কোনো নিৰ্দিষ্ট দেশ বা জাতিৰ সদস্য নহ'লেও হয়। ইয়াৰ সাৰ্বজনীনতা এনেধৰণৰ যে যিকোনো দেশৰ মানুহে এনে চকুৰ ভাষাৰ সংকেত বুজিব পাৰে। অৰ্থাৎ সমাজ-সংস্কৃতিৰ পৰিধি ভাঙি চকুৰ ভাষাই যথোপযুক্ত যোগাযোগ স্থাপন কৰিব পাৰে। শ্ৰেণীকোঠাতো এনে যোগাযোগ স্থাপন কৰিব পাৰি।

(iii) **দেহৰ ভাষা (Body language) ঃ** দেহৰ গতিশীলতাও যোগাযোগৰ এক প্ৰভাৱশালী মাধ্যম হ'ব পাৰে। দেহৰ সঞ্চালনমূলক ক্ৰিয়াৰ যোগে অনেক বাৰ্তা আনলৈ প্ৰেৰণ কৰিব পাৰি। দেহৰ ভাৱ-

ভংগীমাৰ লগত অৱশ্যে সাংস্কৃতিক দিশৰ কথা জড়িত হৈ আছে। কোনো এক নিৰ্দিষ্ট দেহভংগীমা এক নিৰ্দিষ্ট সাংস্কৃতিক পটভূমিত যি অৰ্থ বহন কৰে, অন্য সাংস্কৃতিক ক্ষেত্ৰত সেই অৰ্থ বহন নকৰিবও পাৰে। নৃত্য শিল্পীৰ দেহভংগীমা, হৰ্ষোল্লাস, বিজয়চিহ্ন আদি দেহৰ ভাষাৰ যোগাযোগৰ উদাহৰণ।

(iv) **অঙ্গি-ভঙ্গি ভাষা (Gesture language) ঃ** অশাব্দিক যোগাযোগৰ অন্য এক প্ৰকাৰ হ'ল দেহৰ অঙ্গি-ভঙ্গিৰ ভাষা। আদিম যুগত কোনোধৰণৰ লিখিত বা মৌখিক ভাষা নাছিল। তেতিয়া অঙ্গি-ভঙ্গিৰ যোগেদিয়েই যোগাযোগ ৰক্ষা হৈছিল। বৰ্তমান সময়ত ভাষাৰ উৎপত্তি আৰু বিকাশ হ'লেও যোগাযোগ প্ৰক্ৰিয়াত ভাষাৰ লগতে অঙ্গি-ভঙ্গি বা আকাৰ ইংগিত বহুলভাৱে ব্যৱহৃত হয়। কলা-বোবা (Deaf and Dumb) শিশুসকলক শিক্ষা দিবৰ বাবে বা তেওঁলোকৰ লগত যোগাযোগৰ বাবে এনে অঙ্গি-ভঙ্গি ব্যৱহাৰ কৰা হয়। দূৰত থকা মানুহ এজনক হাত বাউলি দি মতা এনে যোগাযোগৰে উদাহৰণ।

এতেকে দেখা গ'ল যে যোগাযোগৰ ধৰণ আৰু প্ৰকৃতি অনুসৰি ইয়াক বিভিন্নধৰণে বিভাজন কৰা হয়। পৰিৱেশ, পৰিস্থিতি আৰু প্ৰয়োজন অনুসৰি ব্যক্তিয়ে বেলেগ বেলেগ ধৰণৰ যোগাযোগ ব্যৱহাৰ কৰে।